# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date :** 13-11-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
## *HEADLINES*
**- - - - - - - - - - - - -**

১। ৰাজ্যৰ ৫টা সমষ্টিত উপ-নিৰ্বাচনৰ ভোটগ্ৰহণৰ সামৰণি। নিৰ্বাচন আয়োগৰ শেহতীয়া তথ্য অনুসৰি চামগুৰিত সৰ্বাধিক আৰু বঙাইগাঁৱত সৰ্বনিম্ন ভোটদান।

২। ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন।

৩। ৰাস মহোৎসৱ উদযাপনৰ বাবে উজনিৰ পৰা নামনিলৈ বিভিন্ন জিলাৰ প্ৰান্তে প্ৰান্তে ব্যাপক আয়োজন প্ৰায় সম্পূৰ্ণ।

৪। অসমৰ ক্ৰীড়া ইতিহাসৰ আটাইতকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আজি ৰাজ্যজুৰি আৰম্ভ। **আৰু**

৫। দক্ষিণ আফ্ৰিকাৰ ছেঞ্চুৰীয়ানত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি তৃতীয়খন খেল।

০০০০০

বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ আজি বিয়লি ৫ বজাত সামৰণি পৰে। অৱশ্যে কেতবোৰ ভোটগ্ৰহণ কেন্দ্ৰৰ চৌহদৰ ভিতৰত ৫ বজাৰ আগেয়ে প্ৰৱেশ কৰা ভোটদাতা ৰাইজৰ সুবিধাৰ বাবে কিছু দেৰিলৈকে ভোটগ্ৰহণ চলি আছে। চামগুৰি আৰু বিহালী সমষ্টিৰ কেতবোৰ অঞ্চলত দুষ্কৃতিকাৰীৰ দ্বাৰা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা সংঘটিত হয় যদিও এনেধৰণৰ ঘটনাই ভোটগ্ৰহণত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। এই ভোটগ্ৰহণৰ চূড়ান্ত হাৰ এতিয়াও জানিব পৰা হোৱা নাই যদিও চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বিয়লি ৫ বজালৈকে চামগুৰি সমষ্টিত ৭৮ দশমিক ১-০ শতাংশ, বিহালী সমষ্টিত ৭৩ দশমিক ৭-০ শতাংশ ধলাই সমষ্টিত ৭২ দশমিক ৪-০ শতাংশ, চিদলী সমষ্টিত ৭১ দশমিক ৫-০ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হৈছিল।

চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। ৭৮ শতাংশৰো অধিক ভোটদান হোৱা চামগুৰি সমষ্টিৰ ভোটগ্ৰহণ সন্দৰ্ভত আমাৰ নগাঁৱৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ কাষ্ট (মুনীন্দ্ৰ শইকীয়া)**

আনহাতে, চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম ঠেুনুকুবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। সমষ্টিটোত ভোটগ্ৰহণ প্ৰক্ৰিয়া সামগ্ৰিকভাৱে নিয়াৰিকৈ অনুষ্ঠিত হয়। ধলাই সমষ্টিত আজি ভোটগ্ৰহণ সন্দৰ্ভত এয়া হাইলাকান্দিৰ পৰা আমাৰ সংবাদদাতা নিলোৎপল দেৱ-

**ভইচ কাষ্ট (নিলোৎপল দেৱ)**

উপ-নিৰ্বাচন অনুষ্ঠিত পাঁচোটা সমষ্টিত সামগ্ৰিকভাৱে নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হয়। এতিয়ালৈকে কোনো ঠাইৰ পৰা কোনো অপ্ৰীতিকৰ ঘটনা ঘটাৰ বাতৰি আমালৈ অহা নাই। বঙাইগাঁও সমষ্টিতো আজি ভোটগ্ৰহণ প্ৰক্ৰিয়া নিয়াৰিকৈ সম্পন্ন হৈছে। সমষ্টিটোত নিৰ্বাচনৰ ভোটগ্ৰহণ সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা তেজছ ত্ৰিপাঠী-

**ভইচ কাষ্ট (তেজছ ত্ৰিপাঠী)**

আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

ooooo

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। বিয়লি ৫ বজালৈকে পোৱা তথ্য অনুসৰি ৬৪ দশমিক ৮-৬ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰে। ২০১৯ চনত এই হাৰ আছিল ৬৩ দশমিক ৯ শতাংশ। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে নিৰ্বাচন বৰ্জনৰ বাবে বিভিন্ন বাওপন্থী সংগঠনে জনোৱা আহ্বান অমান্য কৰি ৰাজ্যখনত সন্তোষজনক হাৰত ভোটদান হৈছে।

ooooo

অসমৰ ক্ৰীড়া ইতিহাসৰ আটাইতকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আজিৰ পৰা ৰাজ্যজুৰি আৰম্ভ হৈছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৭টা শাখাত প্ৰায় ৬৪ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। খেল মহাৰণ উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপে অসমৰ বিশাল ক্ৰীড়া সম্ভাৱনা বৃদ্ধিৰ লগতে ক্ৰীড়া সংস্কৃতি বিকাশত পুনৰ এক নতুনত্বৰ সূচনা কৰিব।

ooooo

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা কৰাৰ কেইঘণ্টামানৰ ভিতৰতে বিশিষ্ট সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডঃ ভীমকান্ত বৰুৱাই এই নিৰ্বাচনৰ দৌৰত তেওঁ নাই বুলি স্পষ্ট কৰি দিছে। আকাশবাণী গুৱাহাটীৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত ডঃ বৰুৱাই কয়, যে অসম সাহিত্য সভাৰ কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়াই সভাৰ সভাপতিৰ পদৰ বাবে তেওঁ প্ৰতিদ্বন্দ্বিতাত

নামিব লাগে বুলি প্ৰস্তাৱ দিছিল যদিও তেওঁ এই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। তৎসত্ত্বেও তেওঁৰ নাম উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে কালি ঘোষণা কৰা কাৰ্যত অধ্যাপকগৰাকীয়ে আশ্চৰ্য্য প্ৰকাশ কৰে।

ooooo

অসম চৰকাৰে ৰাজ্যিক বিশ্ববিদ্যালয় হিচাপে বিগত বছৰত ঘোষণা কৰা শিৱসাগৰ বিশ্ববিদ্যালয়ক বিশ্ববিদ্যালয় অনুদান আয়োগে ইউ জি চি এক্ট, ১৯৫৬ৰ 2-Fৰ অধীনত দেশৰ এখন বিশ্ববিদ্যালয় হিচাপে তালিকাভুক্ত কৰিছে। আজি বিশ্ববিদ্যালয়খনত অনুষ্ঠিত এটা অনুষ্ঠানত ভাৰপ্ৰাপ্ত উপাচাৰ্য ড০ জিতেন হাজৰিকাই এই স্বীকৃতি সন্দৰ্ভত ৰাজহুৱা ঘোষণা কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা লাভ কৰা এই মৰ্যাদাৰ পাছত বিশ্ববিদ্যালয়খনে মানপত্ৰ, ডিগ্ৰী, গৱেষণা আদি শৈক্ষিক কাম-কাজবোৰ স্বতন্ত্ৰভাৱে কৰিব পাৰিব। উল্লেখযোগ্য যে শিৱসাগৰ কলেজৰ পৰা শিৱসাগৰ বিশ্ববিদ্যালয়লৈ উত্তৰণ ঘটা এই শৈক্ষিক অনুষ্ঠান ১৯৪৮ চনৰ ২ নৱেম্বৰত প্ৰতিষ্ঠা হৈছিল। ৰাজ্যিক বিশ্ববিদ্যালয়খনে লাভ কৰা এই স্বীকৃতিৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিক্ষক-কৰ্মচাৰী, শিক্ষাৰ্থী আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলক শুভেচ্ছা জনাইছে।

ooooo

মাজুলী জিলাৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ অধীনত ৰূপায়িত বিভিন্ন আঁচনিৰ কাম-কাজ আজি বিভাগীয় মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পৰ্যালোচনা কৰে। এই উপলক্ষে অনুষ্ঠিত বৈঠকত প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণ, এম জি এনৰেগা, পঞ্চদশ বিত্ত আয়োগ, অমৃত সৰোবৰ আদিৰ কাম-কাজ চালি জাৰি চোৱা হয়। মন্ত্ৰীগৰাকীয়ে জিলাখনত প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত নিৰ্মাণ হ'বলগীয়া ৮০০ গৃহৰ নিৰ্মাণ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। এই ক্ষেত্ৰত পঞ্চায়তৰ সচিবসকলকো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবলৈ তেওঁ নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে লগতে জিলাখনত নতুনকৈ ৰেচন কাৰ্ড প্ৰদান প্ৰক্ৰিয়াৰ অগ্ৰগতিৰ বুজ লয়।

ooooo

ৰাস মহোৎসৱ উদযাপনৰ বাবে উজনিৰ পৰা নামনিলৈ বিভিন্ন জিলাৰ প্ৰান্তে প্ৰান্তে ব্যাপক আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। সত্ৰভূমি মাজুলীৰ লগতে উজনি অসমৰ কেইবাখনো জিলা আৰু নামনি অসমৰ হাউলী-নলবাৰীকে ধৰি ভালেমান অঞ্চলত পৰম্পৰাগত ৰীতি-নীতিৰে আৰু আড়ম্বৰপূৰ্ণভাৱে ৰাস মহোৎসৱ উদযাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যখনৰ বিভিন্ন ৰাস উদযাপন সমিতিলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি মাজুলীৰ ৰাস উদযাপন সমিতিসমূহলৈ অসম চৰকাৰৰ পৰ্যটন বিভাগে অতিৰিক্ত ৫০ হাজাৰ টকাকৈ আগবঢ়াইছে। আজি কমলাবাৰীৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত মাজুলী জিলাৰ ৰাস সমিতিসমূহক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আৰ্থিক অনুদান বিতৰণ কৰে। তেওঁ প্ৰতিখন ৰাস উদযাপন সমিতিক পৰিচ্ছন্নতা বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে মাজুলীৰ ৰাসৰ বৈশিষ্ট্য সম্পৰ্কে উল্লেখ কৰি এই আধ্যাত্মিক উৎসৱৰ অনন্য সুন্দৰ উদযাপনে বহু পৰ্যটকক আকৰ্ষিত কৰে বুলি মন্তব্য কৰে।

শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত পৰহিলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱ উদযাপনৰ বাবে সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই উপলক্ষে স্থানীয় ৰংগমঞ্চত ৰাসৰ অন্তিম আখৰাত স্থানীয় শিল্পী, কলা-কুশলীসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি নগৰখনৰ সমীপৰ বেতবাৰী, জয়সাগৰ, কালুগাঁও, জাঁজী, ফুলপানী ছিগা, শলগুৰি, আখৈফুটীয়া আদি আঞ্চলতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰাইজে ৰাস উৎসৱৰ প্ৰস্তুতি চলাইছে।

নলবাৰীৰ হৰিমন্দিৰ প্ৰাংগণত পৰহিলৈ আৰম্ভ হ'বলগীয়া ৰাস মহোৎসৱ ২৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। সেই উপলক্ষে সমগ্ৰ নলবাৰী চহৰখন বিভিন্ন আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। এইবাৰ এই ৰাস মহোৎসৱত মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত ৰাস আৰু পুতলা নাচৰ ৰাসো অনুষ্ঠিত হ'ব। নলবাৰীৰ ৰাস মহোৎসৱ সন্দৰ্ভত জিলাখনৰ পৰা আমাৰ সংবাদদাতা ৰমেন কলিতাই এইদৰে কয় -

**ভইছ কাষ্ট (ৰমেন কলিতা)**

হাউলীৰ ৰাস মহোৎসৱ ১৫-দিনীয়া কাৰ্যসূচীৰে পৰহিলৈৰ পৰা অনুষ্ঠিত হ'ব। ৯৭ সংখ্যক এই ৰাস মহোৎসৱ উদযাপন সন্দৰ্ভত উদযাপন সমিতিয়ে প্ৰকাশ কৰা মতে এইবাৰ বৰপেটা সত্ৰৰ বুঢ়াসত্ৰীয়া ড০ বাবুল দাসে ৰাস মহোৎসৱ উদ্বোধন কৰিব। মহোৎসৱৰ সৈতে সংগতি ৰাখি প্ৰতি বছৰৰ দৰে এইবাৰো প্ৰদান কৰিবলগীয়া হাউলী বঁটা শাস্ত্ৰীয় সংগীতজ্ঞ সত্যকৃষ্ণ মিশ্ৰক প্ৰদান কৰা হ'ব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি সাংস্কৃতিক কাৰ্যসূচী আৰু কেইবাটাও মনোজ্ঞ আলোচনা অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

গুৱাহাটী মহানগৰৰ দিছপুৰ আৰক্ষীয়ে আজি বিয়লি হাতীগাঁৱৰ নাহৰণি পথত থকা এটা অতিথিশালাত অভিযান চলাই ১০ হাজাৰ য়াবা টেবলেট, ৫টা চাবোনৰ বাকচত ভৰাই থোৱা অৱস্থাত ১১ গ্ৰাম হেৰ'ইন জব্দ কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে ৫টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। এই লোককেইজনৰ পৰা আৰক্ষীয়ে ৪টা মোবাইল ফোন আৰু নগদ ৫ হাজাৰ টকা জব্দ কৰে।

০০০০০

তামুলপুৰৰ গোৰেশ্বৰ টাউন হ'লত আজি গোৰেশ্বৰ চহৰৰ জাৱৰ নিষ্কাশন আৰু স্বচ্ছতা সন্দৰ্ভত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত তামুলপুৰ জিলাৰ আয়ুক্ত, জীৱ বিজ্ঞানী ড০ অমৰজ্যোতি কাশ্যপ, গোৰেশ্বৰ ৰাজহ চক্ৰ বিষয়াৰ লগতে গোৰেশ্বৰ পৌৰসভাৰ সকলো কৰ্মচাৰী তথা গোৰেশ্বৰৰ জ্যেষ্ঠ নাগৰিকসকল উপস্থিত থাকে।

০০০০০

জনসাধাৰণৰ মাজত পথ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে আজি তামুলপুৰ জিলাৰ মটঙা চ'কত জিলা পথ সুৰক্ষা সমিতি আৰু তামুলপুৰ জিলা প্ৰশাসনৰ উদ্যোগত এটা পথ সুৰক্ষা সম্পৰ্কীয় কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ দ্বাৰা দুচকীয়া বাহনৰ চালকসকলক হেলমেট পৰিধানৰ গুৰুত্বৰ বিষয়ে সজাগ কৰোৱা হয়। হেলমেট পৰিধান কৰা চালকসকলক জিলা প্ৰশাসনে একোটা ৰঙা গোলাপ ফুল আৰু কলম উপহাৰ দি ব্যতিক্ৰমী সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে। হেলমেট পৰিধান নকৰা চালকসকলক হেলমেট পৰিধান কৰাটো কিমান নিৰাপদ সেই বিষয়ে সজাগ কৰোৱাৰ উপৰি জৰিমনা বিহা হয়। এই কাৰ্যসূচীত জিলাখনৰ আয়ুক্ত, আৰক্ষী অধীক্ষকৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০

কৰিমগঞ্জৰ জিলা আয়ুক্ত কাৰ্যালয়ত খালী হৈ থকা প্ৰশাসনিক বিষয়াৰ পদ পূৰণৰ বাবে যোগ্য প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰা হৈছে। এই পদত আবেদন কৰিবলৈ প্ৰাৰ্থীসকলৰ ৰাজ্যৰ যিকোনো জিলা প্ৰশাসনৰ কাৰ্যালয়ত ন্যূনতম ১৫ বছৰ কাম কৰা অভিজ্ঞতা থকাৰ লগতে যিকোনো অমুমোদিত বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। বয়স, শৈক্ষিক অৰ্হতা, ঠিকনা, অভিজ্ঞতা আদিৰ সৈতে ৩০ নৱেম্বৰৰ সন্ধিয়া ৫ বজাৰ ভিতৰত আবেদন কৰিব লাগিব বুলি কোৱা হৈছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল আজি ছেঞ্চুৰীয়ানত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব। বৰ্তমানলৈকে ভাৰত আৰু দক্ষিণ আফ্ৰিকা উভয়ে একোখনকৈ খেলত জয়লাভ কৰিছে। ভাৰতে প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰে। দক্ষিণ আফ্ৰিকাই দ্বিতীয়খন খেলত ৩ উইকেটত বিজয় সাব্যস্ত কৰিছে।

ooooo

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ চমুকৈ বি চি চি আইৰ উদ্যোগত আৰু অসম ক্ৰিকেট সন্থাৰ সহযোগত আজিৰে পৰা বৰপেটাত অসম আৰু ঝাৰখণ্ডৰ মাজত ১৯ বছৰ অনূৰ্ধ কোচবিহাৰ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। বৰপেটা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত এই খেলখনত আয়ুষ্মান মালাকাৰে নেতৃত্ব দিয়া অসম দলটোৱে প্ৰথমে বেট ধৰি দিনান্তলৈ প্ৰথম ইনিংছত ৭টা উইকেটৰ বিনিময়ত ১৫৭ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। ঘৰুৱা দলটোৰ হৈ ঋষিকেশ দাসে আজি সৰ্বাধিক ৮২ ৰান কৰি নটআউট হৈ আছে। উল্লেখযোগ্য যে চাৰিদিনীয়া মেচখনত দুয়োটা দলে দুটাকৈ ইনিংছ খেলিব।

ooooo

সমাপ্ত